**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2024 **Time :** 0755 Hrs.

***Assamese Morning Bulletin***

শাৰদীয় দুৰ্গা পূজা উপলক্ষে সমগ্ৰ ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত আজি দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। এইবাৰ দেৱী দুৰ্গাৰ দোলাত আগমন ঘটিছে আৰু ঘোঁৰাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। বিগত কিছুদিন ধৰি ৰাজ্যত বৰষুণ হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ পূজাৰ উৎসাহ কিছু স্তিমিত হোৱা দেখা গৈছিল যদিও বতৰ ফৰকাল হোৱাৰ লগে লগে ৰাজ্যবাসীৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। ইপিনে, ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাত শাৰদীয় দুৰ্গোৎসৱৰ এই পৱিত্ৰ ক্ষণত সমূহ ৰাজ্যবাসীৰ মংগল কামনাৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ শ্ৰীচৰণত প্ৰণিপাত জনাই প্ৰতিগৰাকী লোকেই দেৱীৰ আশিসপুষ্ট হৈ নৱ নৱ চিন্তা-চেতনাৰে উজলি উঠাৰ কামনা কৰে।

ইপিনে, **গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে।

0000000

তিনিচুকীয়া জিলাত নতুন ৰেচন কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত জিলা প্ৰশাসনে তৎপৰতা গ্ৰহণ কৰিছে। ৰেচন কাৰ্ডৰ হিতাধিকাৰী বাচনি সন্দৰ্ভত ডুমডুমাত কালি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত ডুমডুমা সমজিলাৰ অন্তৰ্গত সুলভ মূল্যৰ এজেণ্ট, সমবায় সমূহৰ সচিব আৰু সভাপতিসকল তথা পঞ্চায়তৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ৰেচন কাৰ্ডত নতুনকৈ নাম অন্তৰ্ভুক্ত কৰা আৰু নতুন ৰেচন কাৰ্ড লাভৰ বাবে অহা ১৫ অক্টোবৰৰ ভিতৰত আবেদন জমা দিবলৈ কোৱা হৈছে।

00000000

শাৰদীয় দুৰ্গোৎসৱৰ সময়ত পথ দুৰ্ঘটনা ৰোধৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগৰ উদ্যোগত ৭ অক্টোবৰৰ পৰা ১৩ অক্টোবৰলৈ পথ সুৰক্ষা সপ্তাহ পালন কৰা হৈছে। ইয়াৰ লগত সংগতি ৰাখি কালি যোৰহাট তাৰকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰত জিলাখনৰ সকলো দুৰ্গা পূজা উদযাপন সমিতিৰ বিষয়ববীয়াৰ সৈতে জিলা পথ সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। স্থানীয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী উপস্থিত থকা সভাখনত যোৰহাট জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে পথ সুৰক্ষাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াবলৈ পূজা সমিতিৰ বিষয়ববীয়াসকলক আহ্বান জনায়।

ইফালে, ডিব্ৰুগড় জিলাতো পূজাৰ সময়ছোৱাত দুৰ্ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে জিলা আয়ুক্তৰ সভাপতিত্বত কালি পথ সুৰক্ষা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। আয়ুক্তগৰাকীয়ে উৎসৱৰ দিনকেইটাত যিকোনোধৰণৰ দুৰ্ঘটনা হ্ৰাস কৰিবলৈ আৰক্ষী তথা যান-বাহন শাখাক সক্ৰিয় হৈ থকাৰ নিৰ্দেশ দিয়ে। তদুপৰি হেলমেট পৰিধান নকৰা আৰু সুৰাপান কৰি বাহন চলোৱা চালকৰ বিৰুদ্ধে কঠোৰ হ'বলৈও পৰিবহণ বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০০

ৰাজ্য চৰকাৰে সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহৰ বাবে বৃদ্ধি কৰা হ'ব বুলি প্ৰকাশ কৰিছে। এই আইনখন অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ আৰু শিৱসাগৰ জিলাত যোৱা ১ এপ্ৰিলৰ পৰা ছমাহৰ বাবে বলবৎ কৰা হৈছিল। যোৱা তিনিটা বছৰত ৰাজ্যৰ সামগ্ৰিক পৰিস্থিতি উন্নতি ঘটিছে যদিও শেহতীয়াকৈ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা অশান্তি আৰু আভ্যন্তৰীণ আইন-শৃংখলাজনিত পৰিস্থিতিৰ প্ৰতি দৃষ্টি ৰাখি অসমতো ইয়াৰ প্ৰভাৱ পৰাৰ আশংকাত ৰাজ্য চৰকাৰে আইনখনৰ ম্যাদ বৃদ্ধি কৰাৰ পৰামৰ্শ আগবঢ়াইছে। এই সংক্ৰান্তত ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ ওচৰত এটা প্ৰস্তাৱ দাখিল কৰিছিল। গৃহ মন্ত্ৰালয়ে এই প্ৰস্তাৱ সন্দৰ্ভত অঞ্চলটোত পৰৱৰ্ত্তী ছমাহৰ বাবে স্থিতাৱস্থা বাহাল ৰখাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যপালে এই চাৰিখন জিলা পুনৰ ছটা মাহৰ বাবে অশান্ত অঞ্চল হিচাপে ঘোষণা কৰি আইনখন বাহাল ৰখাৰ সিদ্ধান্ত ঘোষণা কৰিছে।

০০০০০০০০

অসম ডাক পৰিমণ্ডলে ডাক সেৱা, জন সেৱা শীৰ্ষক বিষয়বস্তুৰে ৰাষ্ট্ৰীয় ডাক সপ্তাহ পালন কৰিছে। অহা ১১ অক্টোবৰলৈ চলিবলগীয়া ডাক সপ্তাহ সন্দৰ্ভত কালি অসম পৰিমণ্ডলৰ ডাক সেৱাৰ সঞ্চালক অভিষেক জৈনে গুৱাহাটীত এখন সংবাদমেলত সবিশেষ প্ৰকাশ কৰে। তেওঁ কয় যে ডাক সপ্তাহৰ সৈতে সংগতি ৰাখি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই অনুসৰি আজি বিশ্ব ডাক দিৱস, কাইলৈ অন্ত্যোদয়া দিৱস আৰু পৰহিলৈ বিত্ত সৰলীকৰণ দিৱস উদযাপন কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় স্তৰত ডাক আদান-প্ৰদান কৰা ব্যৱস্থাক পৰিচালনা কৰা সাৰ্বজনীন ডাক সংঘৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাটো ৰাষ্ট্ৰীয় ডাক সপ্তাহৰ অন্যতম দিশ বুলি উল্লেখ কৰে।

০০০০০০০

**সমাপ্ত**